ৰাস ক্ৰীড়া।

প্ৰকাশক।

এজেঞ্চি কোম্পানী।

পোঃ আঃ ৰিহাবাৰি, আসাম।

প্ৰথম সংস্কৰণ

১৯০৮।


ডিব্ৰুগড়।

[illegible] ৰী [illegible] যন্ত্ৰে ;

শ্ৰীব[illegible] চক্ৰবৰ্ত্তীৰ দ্বাৰা ছাপা হ'ল।

মূল্য ।০ চাৰি অনা মাত্ৰ।





ৰাস ক্ৰীড়া।

ঘোষা।

বল হৰি ৰাম মুকুন্দ মুৰাৰি।
বিনা হৰিনামে ভৱ তৰিতে নপাৰি॥

শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
কহো ৰাস ক্ৰীড়া কথা কৃষ্ণৰ চৰিত।
শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।

ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিশ হন্তে।
কামাতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জন্তে॥
অখণ্ড মণ্ডল চন্দ্ৰ দেখিলন্ত হৰি।
কুঙ্কুমে অৰুণ লক্ষ্মী মুখ পদ্ম সৰি॥
বনকো দেখিল চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইল গীত॥
শুনি কামে উত্ৰাৱল হুয়া গোপীগণে।
দিলেক লৰড় গীত ধ্বনি নিৰীক্ষণে॥
কৰ্ণত কুণ্ডল দোলে বেগতে হাণ্ঠিতে।
চিত্তত ধৰিলে কৃষ্ণে ছলে অলক্ষিতে॥
কতো গোপী যায় গাই দোহনক এড়ি।
আখাতে থাকিল দুগ্ধ চৰু সৈতে পড়ি॥
পীয়ন্তে আছিল শিশু তাহাকো নগণি।
পতি শুশ্ৰূষাকো এড়ি যায় কতো জনী॥
কতো গোপী আছিল স্বামীৰ পৰশন্তে।
আধ ভুঞ্জা হুয়া কতো যায় লৰড়ন্তে॥
কৃষ্ণৰ শ্ৰবণে যেন হৰিদাস গণে।
এড়ে কাম্য কৰ্ম্ম সবে তদগত মনে॥
কৃষ্ণে হৰিলন্ত চিত্ত হৰাইল চেতন।
পিন্ধয় পাৱত নিয়া ৰত্নৰ কঙ্কণ॥

হাতত নূপুৰ আড়ে কঙ্কালত হাৰ।
কৰি বিপৰ্য্যয় পিন্ধে বস্ত্ৰ অলঙ্কাৰ॥
তথাপি কৃষ্ণক পাইল গোপীকা সকল।
ভকতৰ কৰ্ম্ম যেন নভৈল বিফল॥
নিবাৰয় পতি পুত্ৰ ভ্ৰাতৃ আগ ভেণ্টে।
গোবিন্দে হৰিল চিত্ত তথাপি নোলটে॥
বিমোহিত হুয়া সবে লৰড়ে গোপিনী।
হৰি ভকতক যেন নলঙ্ঘে বিধিনী॥
যাইবে নপাই গৃহ মধ্যে কতো গোপীগণ।
মনে ধৰি কৰিল কৃষ্ণক আলিঙ্গন॥
অনেক জন্মৰ কৰ্ম্ম বন্ধ কৰি ক্ষীণ।
এড়ি তনু তেখনে কৃষ্ণতে গৈল লীন!
পুছে পৰীক্ষিতে শুনি মিলিল সংশয়।
জাৰবুদ্ধি মাধৱক সেৱে গোপীচয়॥
তথাপি কৃষ্ণক পাইলে কিনো বিপৰ্য্যয়।
বোলা হৰি হৰি হোক পাপৰ প্ৰলয়॥

———

ঘোষা।

ভৱহাৰী হৰি তাৰহু মুকুন্দ মুৰাৰি।
জনম মৰণ ক্লেশ সহিতে নপাৰি ॥

শুক নিগদতি ৰাজা শুনা মহাশয়।
গোপীকাৰ মোক্ষ দেখি নুহিবা বিস্ময় ॥
দ্বেষ কৰি শিশুপালে লভিল মুকুতি।
বুদ্ধিক নোপাশে মহৌষধিৰ শকতি ॥
বিষ বুলি অমৃতক পিলে যিটো নৰ।
নুহিবেক হেন জানা অজৰ অমৰ ॥
যেনে তেনে মতে মাত্ৰ স্মৰোক সততে।
এতেকে মুকুতি পাৱে কহিলো বেকত ॥
ব্ৰহ্মাদিৰো ঈশ কৃষ্ণ প্ৰভু ভগৱন্ত।
যাত হন্তে পাৱে মোক্ষ স্থাবৰ পৰ্য্যন্ত ॥
নিৰপাৰ হৰিৰ ভকতি নুহি বৃথা।
গোপা গোপালৰ আবে শুনা পাছ কথা ॥
যেবে সবে সমীপ পাইলেক গোপনাৰী।
তাসবাক বাক্যে মোহি বুলিলা মুৰাৰি ॥
কুশলে কি আইলা কয়ো ব্ৰজৰ কল্যাণ।
প্ৰিয় কৰ্ম্ম কৰো কিবা কহিয়ো নিদান ॥

দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নথাকিবা তোম্বা সব স্ত্ৰীমতি॥
তোমাসাক নেদেখিয়া পিতৃমাতৃচয়।
তাসবাৰ মনে মহা মিলিব সংসয়॥
দেখিলাহা ইটো বিকশিত বৃন্দাবন।
শশাঙ্কে ধৱল নৱ পল্লৱে শোভন॥
উলটি ব্ৰজক যাহা কান্দে শিশুগণ।
তাসম্বাক প্ৰতিপালি পিয়ায়োক স্তন॥
উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।
স্বামীক শুশ্ৰূষা কুলস্ত্ৰীৰ মহা ধৰ্ম্ম॥
যদিবা আমাক স্নেহে আইলা গোপীগণ।
মোক আবে দেখিলা সিজিল প্ৰয়োজন॥
বিদূৰতে থাকি কৰে শ্ৰৱণ কীৰ্ত্তন।
বাঢ়ে মোত ভকতি নিৰ্ম্মল হোৱে মন॥
দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়া গৃহতে থাকি কৰিযো ভকতি॥
কৃষ্ণৰ অপ্ৰিয় বাণী শুনি গোপীগণ।
পাইলেক দুৰন্ত চিন্তা বিবৰ্ণ বদন॥
ওলমাইল মুখ অতি পায়া দুঃখ ভৰ।
সঘনে নিশ্বাস কাঢ়ে শুখাইল অধৰ॥

কুচৰ কুঙ্কুম মানে লোতকে তিতিল।
থাকিল নিচুকি মুখে বচন হৰিল॥
চৰণে ভূমিক লেখে দেখে তমোময়।
বোলা হৰি হৰি হোক পাপৰ প্ৰলয়॥

—০ঃ০⬭০ঃ০—

ঘোষা।

গোপাল কৃষ্ণ কৰহ ত্ৰাণ।
তোমাক নেদেখি নসহে প্ৰাণ॥

শোকক স্তম্ভায়া গোপী সকলে।
মলাচিলে মুখ আখি অঞ্চলে॥
গদ গদ মাত মুখে নোলাই।
বুলিবে লাগিল কৃষ্ণক চাই॥
ভকত বৎসল তোমাক জানি।
কেনে বোলা হেন ঘাতুক বাণী॥
সমস্ত বিষয় এড়িয়া স্বামী।
ভজিলো তোমাৰ চৰণে আমি॥
ভজিয়ো আমাক মিলোক ভাগ।
নকৰা নাথ ভকতক ত্যাগ॥
কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম্ম।
তোমাতে আছোক সি সব ধৰ্ম্ম॥

জগতৰে বন্ধু আতমা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
তুমি আত্মা হেন জানি সম্প্রতি।
তোমাতেসে কৰে ভকতে ৰতি॥
নলাগে পতি পুত্র দুঃখ হেতু।
হুয়োক প্রসন্ন গৰুড় কেতু॥
কৰিছো আশা যিটো চিৰকাল।
নকৰিয়ো তাক ভঙ্গগোপাল॥
হৰিলা চিত্ত নথাকয় ঘৰে।
হস্ত দুই গৃহ কৃত্য নকৰে॥
তোমাক এড়িয়া নচলে ভৰি।
ব্রজক গৈয়া কি কৰিবো হৰি॥
জ্বলে কামানল তোমাৰ গীতে।
নিমায়োক তাক অধৰামৃতে॥
নোহি বিৰহতে দহিয়া তনু।
লভিবো তোমাৰ সমীপ পুনু॥
হুয়োক প্রসন্ন জগনিবাস।
সব ত্যজি কৈলো তোমাতে আশ॥
নমাৰা পুড়িয়া ঈষত হাসি।
পুৰুষ ভূষণ কৰিয়ো দাসী॥

অলকা আবৃত তোমাৰ মুখ।
অধৰ সুধাক দেখন্তে সুখ॥
ভ্ৰুব যুগ তযু ঈসত হাসি।
দেখি তাক প্ৰভু ভৈলোহো দাসী॥
তোমাৰ শুনিয়া অমৃত গীত।
নোহিবে মোহ কোন স্ত্ৰীৰ চিত্ত॥
আছোক আন বৃক্ষ পশু পক্ষী।
প্ৰেমে পুলকিত তোমাক দেখি॥
দেৱৰ ৰক্ষক যেন মুৰাৰি।
ব্ৰজৰো তুমি দুঃখ ভয়হাৰী॥
জানিলা যুড়াযো আনাৰ প্ৰাণ।
শিৰত হস্তপদ্ম দিয়া দান॥
কামে বশ্য হুয়া গোপী যতেক।
বলিলা বিহ্বল বাক্য অনেক॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥

ঘোষা ।

গোবিন্দ দেৱ বিনে নহি কেৱ । গোবিন্দ দেৱ ॥

গোপীৰ শুনিয়া আকুল বাণী ।
ভৈলন্ত সদয় সাৰঙ্গপাণি ॥
হসিয়া বোলন্ত এড়িয়ো তাপ ।
গোপীকা ক্ৰীড়িলা জগত বাপ ॥
কৃষ্ণৰ সদয় দৃষ্টিক দেখি ।
প্ৰফুল্লমুখী ভৈল সবে সখী ॥
দৰশাই লীলা ভাব ভ্ৰূভঙ্গে ।
কৃষ্ণৰ চৌপাশে বেড়িলে ৰঙ্গে ॥
গোপীৰ মধ্যে শোভে দামোদৰ ।
তাৰাৰ মধ্যে জেন শশধৰ ॥
গলত অম্লান পঙ্কজ মালা ।
বেড়িয়া গুণ গাৱে গোপবালা ॥
আপুনি গাৱন্ত গীত মোহন ।
ফুৰন্ত ৰঞ্জি দিব্য বৃন্দাবন ॥
যমুনা বালি দেখি সুকোমল ।
পদ্মগন্ধি বাত অতি শীতল ॥

গোপীগণ লৈয়া নামিলা তাত।
কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত ॥
বাহু মেলি কাকো আলিঙ্গি ধৰি
কাৰো স্তন নখে পৰশে হৰি ॥
মুখ চায়া কাৰো তোলন্ত হাস।
মাতন্ত কাকো কৰি পৰিহাস ॥
লন্ত বস্ত্র কাঢ়ি বঢ়ায়া ৰঙ্গ।
বেকত কৰন্ত গুপুত অঙ্গ ॥
ধৰিয়া কাৰো কণ্ঠে বাহু মেলি।
কৰিলা অনেক অনঙ্গ কেলি ॥
আনন্দে গোপীৰ বঢ়ায়া কাম।
ৰমিলা গোপীনাথ অবিশ্ৰাম ॥
কৃষ্ণত হন্তে মহামান পায়া।
বুলিলা গৰ্ব্বে সব গোপজায়া ॥
আমাৰ সম সুভাগিনী নাই।
ভৈলন্ত অধীন যাদৱৰায় ॥
গোপীৰ মহা অহম্মম ভাৱ।
দেখি নসহিল কৃষ্ণৰ গাৱ ॥
তাসম্বাৰ দৰ্প হৰিবে মনে।
ভৈল অন্তৰ্দ্ধান তৈতে তেখনে ॥

কৃষ্ণক নপাই পাছে গোপীচয়।
মিলিল সন্তাপ ভৈলন্ত ভয়॥
যেন যুথপক নেদেখি বনে।
কান্দে আৰ্ত্তৰাৱে হস্তিনীগণে॥
কৃষ্ণৰ সদয় কটাক্ষ হাসে।
মোহন আলাপ গতি বিলাসে॥
হৰিল চিত্ত পাসৰিল মৰ্ম্ম।
কৰিবে লাগিল কৃষ্ণৰ কৰ্ম্ম॥
কৃষ্ণৰ ঠানে কৰে লীলা গতি।
সদয হাস্যে চাৱে কাকো প্ৰতি॥
মই সে কৃষ্ণ জান গোপীগণ।
অন্যো অন্যে গোপী বোলে বচন॥
একত্ৰ হুয়া মহা প্ৰেমভাৱে।
গোবিন্দ গুণ গাৱে আৰ্ত্তৰাৱে॥
বিচাৰি ফুৰে সিটো বৃন্দাবনে।
কৃষ্ণ কৃষ্ণ বুলি উন্মত্ত মনে॥
যিটো হৰি আছা জগত ব্যাপি।
বৃক্ষত তাঙ্ক শোধে পাশ চাপি॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥

ঘোষা

কৈত পাইবো প্ৰাণ গোপাল আমি।
হৰাইল অৰুণ লোচন স্বামী॥

উচ্চ বৃক্ষ দেখি শোধে সাদৰি।
শুনিয়ো অশ্বত্থ বট পাকড়ি॥
যাহন্তে দেখিলা নন্দকুমাৰ।
নেন্ত চুৰি কৰি চিত্ত আমাৰ॥
হে কুৰুবৰ অশোক চম্পা।
কহিয়া কথা কৰা অনুকম্পা॥
মানিনীৰ দৰ্প কৰিয়া চুৰ।
জানাহা কৃষ্ণ যান্ত কত দূৰ॥
শুবা তুলসী সন্নিধান দিয়া।
তুমি গোবিন্দৰ চৰণপ্ৰিয়া॥
যাহান্তে দেখিলা নন্দকুমাৰ।
প্ৰাণতো অধিক প্ৰিয় আমাৰ॥
হে জাতী যূথী সখী মালতী।
কৃষ্ণ পৰশে কি লভিলা গতি॥
সমস্তে গোপীৰ জীৱন ধন।
দেখিলা যাহান্তে নন্দনন্দন॥

হে আম জাম বেল বকুল।
নাহি উপকাৰী তোমাৰ তুল॥
কৃষ্ণৰ বিৰহে দেখো আন্ধাৰ।
কোৱা কৈক গৈল প্রাণ আমাৰ॥
কিনো তপ ওবা কৰিলা ভূমি।
কৃষ্ণৰ চৰণ পৰশি তুমি॥
মিলি আছে অতি আনন্দ ভাৱ।
দেখো ৰোমাঞ্চিত তোমাৰ গাৱ॥
পূৰ্ব্বতো বৰাহে আছে আলিঙ্গি।
তুমি সৰ্ব্ব কালে কৃষ্ণৰ সঙ্গী॥
দেখিছা কৃষ্ণক জানো নিশ্চয়।
কহিয়ো আমাত হুয়ো সদয়॥
মৃগ পত্নী সখী দেখিলা হৰি।
তোমাৰ নেত্রৰ আনন্দকাৰী॥
যান্তে প্রিয়া সমে গতি বিলাসে।
হেৰা কুন্দ গন্ধ কুঙ্কুম বাসে॥
কতো গোপী বোলে শুনিয়ো বাণী।
লতাত কৃষ্ণৰ পুছা কাহিনী।
কৃষ্ণৰ নখৰ পৰশ পাই।
দেখো পুলকিত সমস্তে কায়॥

বোলে বাক্য সবে উন্মত্ত ভাৱে।
কৃষ্ণক বনত বিচাৰি চাৱে॥
কৃষ্ণগুণ গান্তে প্ৰেম উপজে।
কৃষ্ণতে মন সমুদায় মজে॥
সমস্তে বিহ্বল হুয়া গোপিনী
কৰে কৃষ্ণ লীলা কতো আপুনি।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥

———

ঘোষা।

বন্দো মন্দৰধাৰী।
গতি মতি মোৰ তুমি মুৰাৰি॥

পূতনাৰ বেশে কতো জনী দেয় স্তন।
কতো শিশু কৃষ্ণ হুয়া শোষয় জীৱন।
কতো গোপী থাকে যেন শকট আকাৰে
কৃষ্ণ হুয় ওভটাৱে চৰণ প্ৰহাৰে॥
কতো গোপী বসে শিশু কৃষ্ণৰূপ ধৰি:
তৃণাবৰ্ত্ত হুয়া কতো গোপী নেয় হাৰ॥

কৃষ্ণ হুয়া কেহো জনী-ফুৰে আঠু কাঢ়ি।
কঙ্কালত বাবৰ ঘুঘুৰা কৰে সাৰি॥
কতো কতো হুই ৰাম কৃষ্ণ দুই ভাই।
কতো বৎস হুই তাকে ফুৰন্ত চৰাই॥
কতো গোপী বক যেন চুপি থাকে ভিৰি।
কৃষ্ণ হুয়া কতো জনী তাক মাৰে চিৰি॥
কতো জনী কৃষ্ণ হুয়া বাৱে বংশী তুলি।
বেঢ়িয়া প্ৰশংসে কতো ধন্য ধন্য বুলি॥
বংশীৰ নিস্বানে গাই ডাকে নাম ধৰি।
কতো গোপীগণ আসে হাম্বাৰাৱ কৰি॥
কতো জনী বাহু থৈয়া গোপিকাৰ গলে।
কৃষ্ণময় হুয়া কতো আনন্দতে চলে॥
জান গোপীগণ মই কৃষ্ণ যদুপতি।
দেখ দেখ ইটো মোৰ কেন লীলাগতি॥
নকৰিবা ভয় বুলি কতো গোপী মাতে।
মই কৃষ্ণ আছো কি কৰিবে বৃষ্টি বাতে॥
গাৱয় অঞ্চল তুলি থাকে একে কৰে।
ধৰিলো মন্দৰ হেৰ চাপ নিৰন্তৰে॥
কেহো বোলে কালী দমো মই যদুনাথে।
ভৰি দিয়া উঠে কতো গোপিকাৰ মাথে॥

সত্বৰে অন্তৰ ঐৰ সৰ্প দুৰাচাৰ।
দুষ্টক দণ্ডিবে লাগি মোৰ অৱতাৰ ॥
কেহো জনী বোলে অৰে দেখ গোপীচয়।
বন জুই বেড়িলেক মিলিল সংশয় ॥
চক্ষু মুদি থাকা সবে সাধিবো কল্যাণ।
মই কৃষ্ণে এতিক্ষণে নিবো নিজ স্থান ॥
কেহো বোলে দেখ দেখ দধিৰ বিলাই।
ভাণ্ড ভঙ্গা কৃষ্ণক ধৰিলো খেদি পাই ॥
আৰ যেন নখাস লৱনু চুৰি কৰি।
উডুখলে বান্ধে কেহো গোপিকাক ধৰি ॥
এহিমতে কৃষ্ণ চেষ্টা কৰে গোপীগণে।
কৃষ্ণক খোজন্তে ফুৰে পশি বৃন্দাবনে ॥
দেখিল কৃষ্ণৰ খোজচয় পৃথিবীত।
ধ্বজ বজ্র পঙ্কজ অঙ্কুশে অলঙ্কৃত ॥
পাছে সবে গোপিজাক পথক নিহাৰি।
দেখে স্ত্ৰীৰ খোজ কৃষ্ণ খোজে আছে পড়ি ॥
দেখি দুঃখে অধিকে আকুল ভৈল মন।
বোলা হৰি হৰি আছে যাৱত চেতন ॥

ঘোষা।

আৰ নেদেখিবো ৰে! জীবেৰ জীবন
বনমালী।
কোথা গৈল গোপাল হৃদয়ে
অগ্নি জ্বালি ॥

দেখ সখি খোজে কোন জনী যায় সঙ্গে।
কৃষ্ণৰ কান্ধত হাত দিয়া লীলা ৰঙ্গে ॥
নিশ্চয়ে জানিলো অৰাধিলে দেৱ হৰি।
তাইক লগে নেয় আমি সমস্তকে এড়ি ॥
দেখা সখীসৱ ধন্য কৃষ্ণ পদ ধূলি।
ব্ৰহ্মা হৰে শিৰে ধৰে শুদ্ধ হওঁ বুলি।
আসা আমি কৰো এহি ধূলা অভিযেক।
দেখিবো পবিত্ৰ হুয়া কৃষ্ণক প্ৰত্যেক ॥
আউৰ জনী বোলে কিবা কহ গোপীগণ।
তাইৰ খোজ দেখিয়া আকুল কৰে মন ॥
কৃষ্ণৰ অধৰামৃত সৰ্ব্বস্ব সবাৰে।
চুৰি কৰি নিয়া তাই ভুঞ্জে একেশ্বৰে ॥
আবে ঐত তাইৰ খোজ নাকলিয়া ভালে।
তৃণে বিন্ধিলেক সুকোমল ভৰিতলে ॥

প্ৰাণতো অধিক প্ৰিয়া দুঃখ পাৱে বুলি।
কোলাত লইয়া যান্ত আলগতে তুলি॥
গোপীক বহন্ত কিনো কামাতুৰ হৰি।
দেখা দেখা আবে পোত গৈয়া যায় ভৰি॥
এহিত নমাই থৈলন্ত প্ৰিয়াক মহাশয়।
দেখা তাইৰ অৰ্থে আনিলন্ত পুষ্পচয়॥
পাৰিল গড়ুয়া চড়াই ফুল ভৰি কান্দি।
অৰ্দ্ধেক ভৰিৰ খোজ হেৰা আছে বান্ধি॥
হেৰা দেখা তাইক এহিত উৰুত বৈসাই।
বান্ধিলন্ত খোপা কামাতুৰ যদুৰায়॥
মাৰিল খোপত তাইৰ ফুল চতুৰ্ভিতি।
দেখা অছিলন্ত বাস গোপিকা সহিতে॥
শুক নিগদন্তি ৰাজা শুনিয়ো শ্ৰবণে।
পূৰ্ণকাম হৰি ক্ৰীড়িলন্ত যি কাৰণে॥
দেখাইলন্ত দুঃখ কামাতুৰ পুৰুষৰ
স্ত্ৰীৰ দুৰ্জ্জন ভাৱ শুনা আতপৰ॥
চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহা গৰ্ব্ব ভাৱ তাইৰ বাঢ়িল মনত॥
কৃষ্ণক আশায়ে আইলো যত গোপীবাক
সবাকে এৰিয়া কৃষ্ণে ভজিলা আমাক।

সমস্তে নাৰীত শ্ৰেষ্ঠ আপোনাক মানি ।
নহা দৰ্পে কৃষ্ণক বুলিলা হেন বাণী ॥
চলিবে নপাৰো আৰু মই এক ভৰি ।
মৈকে মন নিযা আবে যেন লাগে কৰি ॥
শুনি হেন হৰিযো বুলিলা তাইক হাসি ।
যাইব যেবে নোৱাৰা কান্ধত উঠা আসি ॥
শুনি উঠিবেক তাই গৈল কাছি পাৰি ।
দেখ অন্তৰ্দ্ধান ভৈলা আগত মৰাৰি ॥
কান্দে আৰ্ত্তৰাৱে গোপী কৃষ্ণক নেদেখি ।
হা নাথ । কৈক গৈলা আমাক উপেক্ষি ।
তোমাৰেসে দাসী মই জানা নাৰাযণ ।
অনাথৰ নাথ মোক দিয়া দৰিশন ॥
গোপীগণে গোবিন্দৰ খোজ নেয় গুৰি ।
সমীপতে দেখে স্ত্ৰী কান্দে দুঃখে পৰি ॥
সমস্ত সখীত তাই কহিল বৃত্তান্ত ।
যেন মতে তাইক এড়িলন্ত কৃষ্ণ কান্ত ।
শুনিয বিস্ময আতি ভৈল যত সখী ।
নিবৰ্ত্তিল সবে ঘোৰ অন্ধকাৰ দেখি ॥
কৃষ্ণত আপল মন কৃষ্ণৰে আলাপ ।
কৃষ্ণগুণ গায় কৰে কৃষ্ণৰে বিলাপ ॥

পতি পুত্র গৃহ শৰীৰকো সুস্মৰে।
কৃষ্ণময় হুয়া কৃষ্ণ চেষ্টা মাএ কৰে॥
কৃষ্ণপদ পঙ্কজে নিবিড় কৰি চিত্ত।
ডুনাই যমুনাৰ সবে নামিল বালিত॥
কৃষ্ণক প্রাৰ্থয় গোপী এক ঠায় হুই।
বোলা হৰি লাগোক পাপৰ মুণ্ডে জুই॥

ঘোষা॥

মোহন দেহু দৰিশন গোপাল প্ৰাণ
পেখো মুখ কমল।
সংসাৰ তাৰণ, তেৰি চৰণ,
নভজি জন্ম বিফল॥

কৃষ্ণত নিৰাশা, হুয়া গোপীচয়,
বালিত নামি ডুনাই।
কৃষ্ণ দৰশন, মনে গীত গাৱে,
কৃষ্ণৰ গুণ বৰ্ণাই॥

তোমাৰ জনম, নিমিত্তে অধিকে,
গোকুল বাঢ়ে সম্পূৰ্ণ ।
লক্ষ্মীয়ো সাক্ষাত, ব্রজত বঞ্চন্ত,
সুখে আছে সর্ব্ব জনে ॥

তোমাতেসে প্রাণ, সুম্পি গোপীচয়,
চাই ফুৰো দশোদিশ ।
গুচোক নিকাৰ, প্রাণৰ বল্লভ,
দেখা দিয়া জগদীশ ॥

শৰত কালৰ, বিকশ পদ্মৰ,
উদৰক শ্রীক নিন্দে ।
হেনয় নেত্রৰ, কটাক্ষে আমাক,
মাৰিছা তুমি গোবিন্দে ॥

নিকিনিলা দাসী, ভজিলোহো আসি,
গীততে হুয়া দগধ ।
কটাক্ষে মাৰিলা, বধ নলাগে কি ?
অস্ত্রে কাটিলেসে বধ ॥

বিষময় জল, অঘ পূতনাত,
ৰাখিল বৃষ্টিত হস্তে।
চক্ৰবাত বন-, বহ্নি আনো ভয়ে,
তাৰিলা তুমি অনন্তে॥

আবে কেনে মন-, মথৰ হাতত,
আমাক মৰোৱা স্বামী।
তোমাৰ চৰণ, যেবে দেখা পাওঁ,
পুনৰপি জীওঁ আমি॥

নুহিকা যশোদা-, নন্দন গোবিন্দ,
নিশ্চয় বুলিলো বাক।
তুমি সমস্তৰে, বদ্ধি সাক্ষী সখি,
প্ৰাৰ্থিলা ব্ৰহ্মা তোমাক॥

জগত ৰাখিবে, লাগি যদুকুলে,
আপুনি ভৈলা উদিত।
শুনা মহাভাগ, ভকতৰ ত্যাগ,
কৰিবে নুহি উচিত॥

বিনাশে সংসাৰ, ভয় ভকতৰ,
পূৰে মনোৰথ যত।
হেন হস্তপদ্ম, আনি প্ৰাণনাথ!
দিয়োক অসি শিৰত॥

হে ব্ৰজজন, দুঃখহাৰী হৰি,
আমি কিঙ্কৰীক ভজ।
মোহন হসিত, কটাক্ষে সহিত,
দেখায়ো মুখপঙ্কজ॥

সমস্ত প্ৰাণীৰ, পাপ হৰে যিটে,
অছিল কালীৰ ফণে।
কামক মাদ্দয়া, হেন পাদপদ্ম,
অৰ্পিয়ো আমাৰ স্তনে॥

পঙ্কজলোচন, নেদেখি তোমাৰ,
মৰো সবে হেৰা দাসী।
মধুৰ বচনে, অধৰ অমৃতে,
আমাক জায়ায়ো আসি॥

তযু কথামৃতে, দগ্ধকো জীয়াৰে,
শ্রবণে দেয় মুকুতি।
সকাম কৰ্ম্মক, অতি তুচ্ছ কৰি,
জ্ঞানী কৰে তাকে স্তুতি॥

যিটো যনে সদা, হেন কথা কৰে,
সিসি দান দেয় জীৱ।
ভৈলোহো হেনয়, সুহৃদে বঞ্চিত,
দেখা দিযা সদাশিৱ॥

শুনিযো কপটী, সঙ্কেত আলাপ,
সুগুচে আৰ ক্রিযাৰ।
তোমাৰ সদয, হাস্য দৰশনে,
মোহিলে মন আমাৰ॥

তোমাকেসে লাগি, মৰো গোপীচয়,
স্নেহে বিযাকুল মতি।
তুমি পুনু প্রভু, কপট আচাৰা,
আমাত কোন যুগুতি॥

ব্ৰজ হন্তে ধেনু, চাৰিবাক যাহা,
আমাৰ মনে অসুখ।
জানো পাদপদ্মে, তৃণ শিলা লাগি,
প্ৰাণনাথে পান্ত দুঃখ॥

তোমাৰ চিন্তায়ে, দিন বহি যায়,
গোধূলি গোপাল আসি।
অলকা আবৃত, গো ৰজে ৰঞ্জিত,
দেখোৱা মুখ প্ৰকাশি॥

পুনু পুনু দেখাই, বদন পঙ্কজ,
মনত অৰ্পা মদন।
তোমাৰ সঙ্গতি, নপাই দুঃখে ৰাতি,
জাগিয়া চিন্তে চৰণ॥

আমাৰ হৃদয়, জানি কৃপাময়,
এড়িয়ো কপট মতি।
দিয়া দৰশন, আমাৰ জীৱন,
ৰাখিয়োক যদু পতি॥

কৃষ্ণৰ কিঙ্কৰে, ভাণল শঙ্কৰে,
হাৰ পাৰে কৰা ৰাত।
শুনা সৰ্ব্বজন, এড়া আন মন,
ঘোষযো হৰি সম্প্ৰতি॥

ঘোষা॥

পাণপাণি হাসি কাহা যাওঁ কৃষ্ণ কৈত পা।
গোবিন্দ বিনে বৃথা জনম গোৱাও॥

ভকত বৎসল পাদপদ্ম মনোৰম।
[illegible]
[illegible] পদ যাক কৰিলে স্মৰণ।
আমাৰ স্তনত হেন [illegible] চৰণ।
[illegible]
[illegible]
[illegible]
[illegible]
তোমাৰ [illegible] মুখ।
ক্ষণেকে [illegible] আতি চিন্তা [illegible]।
এতেকে [illegible] ভাজলোঁ [illegible]
[illegible] আমাসাক॥

যেলে দিবাত তুমি ফুৰা বৃন্দাবনে।
তোমাক নেদেখি যুগ যায় অৰ্দ্ধক্ষণে॥
সন্ধ্যাত তোমাৰ মুখ দেখি এড়াওঁ ক্লেশ।
কিনো মন্দ ব্ৰহ্মা তাতো সৃজিল নিমেষ॥
বেণু গীতে আতি মন মোহিলে আমাৰ।
পতি পুত্ৰ ভ্ৰাতৃকো কৰিলো পৰিহাৰ॥
আমাৰ সাধিবা গতি মনে হেন মানি।
তোমাৰ সমীপ পাইলো প্ৰভু চক্ৰপাণি॥
তুমি বিনা আছে আৰ বন্ধু কোন জন।
ৰাতি আনি নিশাত এড়িবে নাৰীগণ॥
কাহাক দুষিবো ইটো অভাগ্য কপাল।
আমাৰ হৃদয় ৰোগ গুচায়ো গোপাল॥
তোমাৰ সুমৰি ইটো ৰহস্য আলাপ।
কৰে কামানলে আতি হৃদয়ত তাপ॥
লক্ষ্মীৰ নিবাস সিটো দেখি উৰুস্থল।
শুনাই শুনাই হোৱে মন আমাৰ বিহ্বল॥
ব্ৰজৰ জনৰ দুঃখ হৰিবাক প্ৰতি।
ভৈলা অৱতাৰ হৰি তোমাৰ সম্প্ৰতি॥
হেন জানি ক্ষণেকো নেড়িবা যদুৰায়।
তোমাক নেদেখি হেৰা প্ৰভু। প্ৰাণ যায়॥

হেন প্রভু তযু পাদপদ্ম সুকুমাৰ।
লাসে লাসে থৰে যায় স্তনত আমাৰ ॥
সিটো পায়ে বিজুবনে ফুৰা কেন কৰি।
শিগা খোলা লাগি পীড়া কৰিবেক ভৰি ॥
ইহাকেসে সুমৰন্তে প্রভু! প্রাণ যায়।
তুমিসি আমাৰ জীৱ প্রাণ সমুদায় ॥
এতেক বোলন্তে উপজিল প্রেমভাৱ।
কান্দে কৃষ্ণ বুলিয়া পাৰয় দীৰ্ঘ ৰাৱ ॥
গায়ে গীত কতো নয়নৰ ঝৰে নীৰ।
হা কৃষ্ণ কৃষ্ণ বুলি চিত্ত নোহে স্থিৰ ॥
কৃষ্ণক নেদেখি গোপী সমস্তে বিহ্বল।
বোলা হৰি হৰি পাপ যাওক ৰসাতল ॥

ঘোষা ॥

হেৰা পাইলো পাইলো ৰে
প্রাণধন মুকুন্দ মুৰাৰি।
দিলা দেখা দামোদৰ জীৱন হামাৰি ॥

গোপিকাৰ দেখি প্রেম ভাৱ বিপৰীত।
ভৈলন্ত গোপাল আতি ব্যাকুলিত চিত্ত ॥

আনন্দ বঢ়ায়া গোপীগণৰ মনত।
পৰম মধুৰ মূৰ্ত্তি ভৈলন্ত বেকত॥
হাসো হাসো কৰে আতি বদন কমল।
শ্যাম তনু পীতবস্ত্ৰে দেখিতে উজ্জ্বল॥
চকিমিকি কৰে অলঙ্কাৰৰ দীপিতি।
গলত পদ্মৰ মালা দেখন্তে তৃপিতি॥
দেখি ৰূপ মদনৰো মোহন সাক্ষাত।
উঠিল আনন্দে সবে গোপী অসংখ্যাত।
গুচিল বিৰহ দুঃখ দ্ৰৱ ভৈল চিত্ত।
প্ৰাণক দেখিয়া যেন তনু উল্লসিত॥
কতো গোপীগণ গৈয়া কৃতাঞ্জলি কৰি।
থাকিল কৃষ্ণৰ হস্ত পঙ্কজত ধৰি॥
কতো আথেবেথে গৈযা ধৰে বাহু কান্ধ।
কতো গোপী গৈযা মোহহুযা গলে বান্ধে॥
আগ হুযা কেহো চোবা লৱে হাত পাতি
চক্ষু পকাই চাৱে কতো কৰি মুখ কান্তি॥
মদনে মৰ্দ্দয় কতো গোপিকাৰ মন।
স্তনত অৰ্পয় নিয়া কৃষ্ণৰ চৰণ॥
এক দৃষ্টি কৰি কতো গোপীগণে।
মুখ পঙ্কজক পীযে স্তবধ নয়নে॥

নাহিকে তৃপ্তি যদি পীয়ন্তে সততে।
কৃষ্ণৰ চৰণ যেন চিন্তন্তে ভকতে॥
নেত্ৰে চাই কেহো জনী নিয়া হৃদয়ক।
কৃষ্ণক আলিঙ্গি ভৈল সৰ্ব্বাঙ্গে পুলক॥
বহয় আনন্দে নয়নৰ নীৰ ঝাৰি।
মহাযোগীগণে যেন আছে ধ্যান কৰি॥
এহি মতে কৃষ্ণক চাহন্তে গোপীগণ।
মিলি গৈল উৎসৱ শীতল তনু মন॥
এড়াইল বিৰহ তাপ আনন্দে ভৰিল।
ভকতক পাই যেন সংসাৰী তৰিল॥
শোক এড়ি গোপীগণে বেড়িলে চৌভিতি
মধ্যত কৰন্তে কৃষ্ণে অধিকে দীপতি॥
পাছে সবে গোপিকাক লৈয়া বনমালী।
আনন্দে নামিল গৈয়া যমুনাৰ বালি॥
পুষ্পিত মন্দাৰ কুন্দ গন্ধে হুয়া ভোল।
মধুমত্ত অনেক ভ্ৰমৰে কৰে ৰোল॥
শৰত চন্দ্ৰৰ কান্তি আতি সুকোমল।
দেখি মহা সন্তোষিত গোপিকা সকল॥
তথাতে বসিয়া মাধৱক মধ্য কৰি।
ভৈল পূৰ্ণকাম সবে সন্তাপ পাসৰি॥

প্ৰাণবন্ধু মাধৱক কৰিয়া সন্মান।
অঞ্চল পাতিয়া দিল বসিবাৰ স্থান॥
বাসলন্ত তাতে অন্তৰ্যামী দেৱ হৰি।
ত্ৰিভুবন মোহন মধুৰ ৰূপ ধৰি॥
কৰিল শুশ্ৰূষা গোপীগণে মান্য কৰি।
কতো লৈযা কোলাত কৃষ্ণৰ জান্তে ভৰি॥
কন্ধত বাহুক থৈয়া কতো জনী ঘষে।
কতো লীলা কটাক্ষে চাহবে প্ৰেমবসে।
কতোহো প্ৰণয় কোপে দেয সমিধান।
বোলা হৰি হৰি হোক পাপৰ নিৰ্য্যাণ।

ঘোষা।

সাৰঙ্গপাণি প্ৰভু ভগৱন্ত।
নজানো তোমাৰ মায়াৰ অন্ত

পাছে গোপীগণে আতি সাদৰি।
কৃষ্ণৰ ৰঙ্গে জান্ত হাত ভৰি॥
ছলে পৰিহাস কৰিয়া তথা।
প্ৰণয় কোপে শোধে সবে কথা॥

কতো মনুষ্য ভজে ভজন্তাক ।
নভজে যিবা কেহো ভজে তাক ॥
ভজন্তা নভজান্তা দুইকো আসি ।
নভজয় কোনে কয়ো প্ৰকাশি ॥
গোপীৰ শুনি গূঢ় অভিপ্ৰায় ।
দিলন্ত উত্তৰ যাদৱৰায় ॥
শুনা সখী সব্ব আমাৰ বাক ।
যিজনে মাত্ৰ ভজে ভজন্তাক ॥
সুহৃদ নুহি নাহি তাৰ ধৰ্ম্ম ।
আপোন অৰ্থে কৰে মাত্ৰ কৰ্ম্ম ॥
যিজনে ভজে নচাই উপকাৰ ।
সুহৃদ সেহি ধৰ্ম্ম সিজে তাৰ ॥
ভজে নভজে দুইতো নেদে মন ।
আছে চাৰি বিধ শুনা লক্ষণ ॥
যিটো ব্ৰহ্মজ্ঞান দেখে সবে মিছা ।
যিজন পূৰ্ণ ভোগে নাহি ইচ্ছা ॥
গুৰুদ্ৰোহী যিটো একো নমানে ।
যিটো মহামূৰ্খ কিছু নজানে ॥
নভজে দুইকো এহি চাৰি জন ।
কহিলো মই নিষ্ঠে গোপীগণ ॥

কৃষ্ণৰ বাক্য শুনি সবে সখী।
কৰে হাস্য অন্য অন্যে নিৰীক্ষি ॥
বোলন্ত ছুনাই কৃষ্ণ বজ্জি কাজ।
সখী সব আমি চাৰিতো বাজ ॥
ভকতেসে মোৰ সুহৃদ প্ৰাণ।
যিহেতু নভজো শুনা নিদান ॥
সদায় চিন্তোক মোক নপাই।
বিহ্বল যেন ধন হৰুযাই ॥
তোমৰা সবে মোৰ অৰ্থে আতি।
এড়িলা বেদধৰ্ম্ম যত জ্ঞাতি ॥
বাঢ়োক তোমাৰ প্ৰেম ভকতি।
ভৈলো অন্তৰ্দ্ধান এহি যুগুতি ॥
নকৰা অসূযা স্বৰূপ জানি।
আছোক ইটো শুনা সত্য বাণী ॥
দুস্ত্যজ গৃহৰো এড়িয়া আশ।
ভজিলা মোক কৰি অভিলাষ ॥
ভৈলোহো বশ্য মই তোমাসাৰ।
চিৰকাল শুজা নযায় ধাৰ ॥
যেবে সবে এড়া আপুনি দায়।
তেবেসে মোৰ ঋণ শুজা যায় ॥

অমৃত বৰিসে কৃষ্ণৰ বাক।
যুৰাইল শুনি যত গোপীজাক ॥
এড়াইলা সমস্তে বিৰহ তাপ।
বোলা হৰি হৰি পলাওক পাপ

ঘোষা।

ৰাম কৰে ৰাসকেলি গোপাল গোপী সঙ্গে।
হৰি বোল হৰি বোল নিৰন্তৰে ৰঙ্গে ॥

শুক নিগদতি পাছে গোবিন্দ ভকতিতে।
আৰম্ভিলা ৰাসক্রীড়া গোপীকা সহিতে ॥
দুহোঁ গোপী মাজে এক ভৈলন্ত মাধৱ।
প্রবৰ্ত্তিল তথা ৰাসক্রীড়া মহোৎসব ॥
ভৈলন্ত মণ্ডলাকাৰ হাতে গলে ধৰি।
সবে বোলে মোকেসে আলিঙ্গি আছে হৰি।
আসিল সভাৰ্য্যে যত দেৱগণ মানে।
ঘুৰিয়া আকাশ আসি অসংখ্য বিমানে ॥
মাধৱৰ ৰাসক্রীড়া চাবে এক দৃষ্টি।
বাৱে দেৱে দুন্দুভি কৰিয়া পুষ্প বৃষ্টি ॥

প্ৰধান গন্ধৰ্ব্বে অপ্সৰায়ে সহিত ।
মহা ৰঙ্গে গাৱে গোবিন্দৰ গুণগীত ॥
কৃষ্ণ সঙ্গে নাচে সবে সন্তোষ গোপিনী ।
বলয়া নূপুৰ বাৱে ঝনকে কিঙ্কিণী ॥
প্ৰকাশ কৰন্ত কৃষ্ণ গোপীৰ মধ্যত ।
সুবৰ্ণ মণিৰ মাজে যেন মৰকত ॥
কৃষ্ণ সঙ্গে ৰঙ্গে আতি নাচে গোপীজান ।
নানা ভঙ্গি চৰণ চলায়া ফুৰে পাক ॥
চন্দ্ৰৰো নচাৱে ভাল [illegible] ।
[illegible] কৰে হাস
[illegible] ।
[illegible] ॥
[illegible]
গাৱে কৃষ্ণগুণ [illegible] সকল ॥
[illegible] ।
প্ৰকাশ [illegible] যেন তাতে গোপীচয় ॥
[illegible] গীত ।
আকাশৰ পৰা দেৱে দেখি বিপৰীত ॥
কৃষ্ণ আলিঙ্গন পায় অশেষ হৰিষ ।
কৃষ্ণগুণে গাৱে পূৰিলেক দশোদিশ ॥

এহি মতে নৃত্যগীতে কৃষ্ণক তুষিল।
সাধু সাধু বুলিয়া মাধৱে প্ৰশংসিল ॥
তাসম্বাক বহুমান দিলন্ত মাধৱ।
আনন্দে আকুল মিলে মনে মহোৎসৱ ॥
গোপীৰ বৃত্তান্ত কথা শুনা আত পৰে।
বোলা হৰি হৰি সামাজিক নিৰন্তৰে ॥

ঘোষা।

পদ্মপানি গোপি ৰঞ্জন দুঃখ ভঞ্জন দেৱ।
তোমাৰ চৰণ বিনা গতি নাহি কেৱ ॥

কত গোপী ভৈল অতি ভাগৰে আকুল
সোলকয় বলয়া খোপাৰ খসে ফুল ॥
কৃষ্ণতে আডাজি জপাৱয় কৰি কেলি।
অতি প্ৰীতি স্কন্ধত ধৰিয়া বাহু মেলি ॥
উৎপল সুগন্ধি কৃষ্ণ বাহু স্কন্ধে লই।
ঘনে ঘনে আনি গোপ ৰমণী শুঙই ॥
ৰোমাঞ্চিত তনু আনন্দিত অতি মন।
ভোল হুয় দেয় কৃষ্ণ বাহুত চুম্বন ॥

নাচন্তে চলন্তে লড়ে মকৰ কুণ্ডল ।
তাৰ ৰশ্মি শোভিত পাণ্ডুৰ গণ্ড স্থল ॥
তাতে লগাই কতো গোপী পাতে মুখ আনি
নৃত্যৰ ভঙ্গিত চোবা দেন্ত চক্রপাণি ॥
নাচন্তে শবদ কৰে নূপুৰ মেখলা ।
মহা শ্রান্ত হুয়া কতো কতো গোপবালা ।
কৃষ্ণহস্ত পঙ্কজ পৰম সুখকৰ ।
তাক ধৰি থোৱে নিয়া স্তনৰ উপৰ ॥
লক্ষ্মীৰ ৰমণ যিটো ঈশ্বৰ মুৰাৰি ।
তাহাঙ্ক বল্লভ পাইলে যত গোপনাৰী ।
কৃষ্ণে ধৰি আছে কণ্ঠে দুয়ো বাহু মেলি
পৰম উৎসৱে গীত কৰে বাৰে বাৰ
অলকা পাতিত চাৰু কৰ্ণ উৎপলে ।
শোভে ভালে বদন পঙ্কজ ঘৰ্ম্ম জলে ।
কৃষ্ণে সমে নাচে অতি উৎসাহে গোপী ।
বাজয় বলয়া বাদ্য নূপুৰ কিঙ্কিণী ॥
গোপীৰ নৃত্যত ভেল ভৰি কৰতাল
বাড়িয়া গুঞ্জৰে যেন ভ্রমৰে গীতাল ।
শৰক কম্পাৰে খসে খোপাও আউল
তুষ্ট হুয়া কেশে বৰিষয় যেন ফুল ।

এহি মতে গোবিন্দে নৃত্যৰ দেখন্ত ভঙ্গি।
কতো গোপিকাক গৈয়া ধৰন্ত আলিঙ্গি ॥
কতো গোপিকাৰ কৰে পৰশন্ত স্তন।
কটাক্ষে নিৰিখি কাকো কৰন্ত চুম্বন ॥
[illegible] কলা কৌশল সুগন্ধি।
[illegible] গোপীক [illegible] প্ৰবন্ধি ॥
[illegible] গোপীগণে মোহিত কৃষ্ণক।
[illegible] ॥
[illegible]।
[illegible]
[illegible]।
[illegible] ॥
[illegible]
[illegible] ॥
[illegible] চন্দ্ৰ [illegible] মোহিত [illegible]
[illegible] ॥
[illegible] কৰি [illegible]
[illegible] গোপীকাৰ কাম পীড়া ॥
[illegible] হৰি [illegible] ভকতৰ বশ্য।
[illegible] হৰি বলি তৰা কহিলো ৰহস্য ॥

ৰাস ক্ৰীড়া ।

ঘোষা ।

যাদৱ জগজীৱন ৰাম ।
আপুনি গোপীৰ পূৰিলা কাম ॥

অতি শ্ৰান্ত ভৈলন্ত যত গোপিনী ।
দেখি হস্ত পদ্মে হৰি আপুনি ॥
কৃপায়ে সবাৰো মাজিলা মুখ ।
মানিলা মনে মহোৎসৱৰ সুখ ॥
কৃষ্ণক বেঢ়ি আসি সব সখী ।
অমৃত সমান হাস্যে নিৰীক্ষি ॥
কৰি পূজা ৰঙ্গে ৰঞ্জিলা চিত্ত
গাইলন্ত গোবিন্দৰ গুণ গীত ॥
তাসম্বাৰ শ্ৰম গুচাইবে প্ৰীতে ।
সঙ্গে লৈয়া সব ব্ৰজ যুৱতী ॥
যমুনা জলত নামিলা হৰি ।
চৌভীত ভ্ৰমৰে সেৰে গুঞ্জৰি ॥
শ্ৰান্ত হুয়া যেন মাতঙ্গৰাজে ।
হস্তিনী সমে গাড়ে জল মাজে ॥
গোপালো লোক মৰ্য্যাদাক এৰি ।
কৰন্ত গোপী সমে জল খেৰি ॥

ৰাস ক্ৰীড়া।

কৃষ্ণক আৰাধি গোপী সকল।
হাসিযা সিঞ্চে যমুনাৰ জল ॥
বদনপদ্ম চায়া একদৃষ্টি।
কৰিলা দেৱে দেখি পুষ্পবৃষ্টি ॥
জলত গোপীক কৃষ্ণে ক্ৰীড়িলা।
ভ্ৰমন্ত যেন গজেন্দ্ৰৰ লীলা ॥
গোপীগণ লৈয়া উঠিলা পাছে।
ভ্ৰমন্ত বনে যমুনাৰ কাছে ॥
জল স্থল পুষ্প সুৰভি বাসে।
চৌপাশে গোপী চলে লযলাসে।
ভ্ৰমৰে যোগান ধৰে গুঞ্জৰি
কৰিলা ৰাসক্ৰীড়া দেৱ হৰি ॥
এহি মতে যত শৰত ৰাতি।
শশাঙ্কে ধবল শীতল আতি ॥
সবাতো ক্ৰীড়ি গোপী সহিত।
বিস্ময় হুয়া পুছে পৰীক্ষিত ॥
ধৰ্ম্মক ৰাখিবা অধৰ্ম্ম নাশি।
ইকাৰ্য্যে ভৈলা অৱতাৰ আসি ॥
ধৰ্ম্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপনাৰী।

হোবন্ত হৰি যদি পূৰ্ণকাম।
কৰিলা কেনে গৰিহিত কাম ॥
ছেদিয়ো সংশয় কৈয়ো বৃত্তান্ত।
দিলন্ত শুনিয়া শুকে সিদ্ধান্ত ॥
শুনিয়ো সৰ্ব্বজনে ৰাসক্ৰীড়া।
খণ্ডিবা যেবে সংসাৰৰ পীড়া।
কৃষ্ণৰ কিঙ্কৰে কহে সম্প্ৰতি।
বোলা হৰি হৰি একান্ত মতি ॥

ঘোষা।

ৰাম ৰাম বুলি তৰা ভাই
অন্তকে পাইলেক পৰা ॥

পৰম ঈশ্বৰে কৰে অধৰ্ম্ম।
তাৰ্হাত কিছু নাহি অধৰ্ম্ম ॥
সৰ্ব্বভক্ষ বহ্নি সবাকো শোষে।
তথাপিতো কিছু নোছোৱে দোষে ॥

ঈশ্বৰ নুহি খিটো মূঢ়মতি ।
উকৰ্ম্ম কৰি যাইবে অধোগতি ॥
হৰক দেখি বিষ খায় আনে ।
সিজনে যেন মৰি যায় প্ৰাণে ॥
দেহত যাৰ নাহি অহঙ্কাৰ ।
তাহাৰ কৰ্ম্মত নাহি বিচাৰ ॥
জগতৰে হৰি পৰম ঈশ ।
উকৰ্ম্মে তাহাঙ্ক কৰিবেক কিস ॥
যাৰ পাদপদ্ম চিন্তি সাম্প্ৰতে ।
ছিণ্ডে কৰ্ম্মবন্ধ হেলে ভকতে ॥
ধৰিছা লীলা তনু হেন হৰি ।
শুনা কথা তান্ত সংশয় এড়ি ॥
জগত অন্তৰ্য্যামী নাৰায়ণ ।
তান কোন পৰদাৰ গমন ॥
যাহাৰ স্মৰণে পাতক মোষে ।
তাঙ্ক কি কৰিব উসব দোষে ॥
শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি ।
আকে শুনি হৌব নিৰ্ম্মল মতি ॥
ভকতৰ পদে ন হৰি ।
ক্ৰীড়িলা ৰঙ্গে দহা ধৰি ॥

মোহিলা গোপীক কৃষ্ণৰ মায়া।
কাছতে আছে দেখে নিজ জায়া॥
নকৰে অসূয়া কৃষ্ণক কেৱ।
জগত ঈশ হেন কৃষ্ণ দেৱ॥
যেবে হৈবে খোজে প্ৰভাত ৰাতি।
বোলন্ত যায়োক গোপীক মাতি॥
কৃষ্ণক এড়িবে নাহিকে মন।
অসুখে গৃহক কৰে গমন॥
ইটো ৰাস ক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনে যিটো নৰ॥
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কাম সাগৰে সুখে হৈবে পাৰ॥
ইটো কামজয় কৃষ্ণৰ কথা।
শুনা নৰদেহ নকৰা বৃথা॥
কৃষ্ণৰ কিঙ্কৰে কহে প্ৰলাপ।
বোলা হৰি হৰি হৰোক পাপ॥

ঘোষা।

এযাদৱ যাদৱ দীন দয়াল।
তুমিসি আমাৰ গতি মুকুতি গোপাল।

এহি মতে ক্ৰীড়াতে ৰজনী যায় ক্ষয়।
দিন ভৈলে বিৰহে আকুল গোপীচয়।
কৃষ্ণ যান্ত বনে তাঙ্ক নেদেখি অসুখে।
কৃষ্ণ গুণ গায়া দিন বঞ্চে নানা দুঃখে॥
নিস্তাৰ কাৰক নাহি হৰিনাম বিনা।
কতো গোপী বোলে সখি কৃষ্ণ কথা শুন
বাম বাহুত বাম কপোল থাপিয়া।
মধুৰ বেণুক আনি অধৰে অৰ্পিয়া॥
বন্ধ্ৰ মধ্যে কোমল আঙ্গুলীচয় চালি।
নৃত্যক্ষণ বংশীডাক দেন্ত বনমালী॥
ডাক শুনি দেৱ স্ত্ৰী সমস্তে মূৰ্চ্ছিত।
কামবাণে চিত্ত অতি হুয়া জৰ্জ্জৰিত।
বস্ত্ৰে নসম্বৰে মহা মোহ হুয়া পৰে।
স্বামীৰ কাছতে পাছে লজ্জা হোৱে বা
হেন কৰি বিৰহ সহিবো কোন মতে
আউৰ গোপী বোলে সবে সখীৰ আগে।

যাৰ উৰুস্থলে ছটা দেখিয়া লক্ষ্মীৰ।
শ্যামল মেঘত যেন বিজুলী সুস্থিৰ॥
হেন হৰি যখনে বংশীক নাদ কৰে।
গৰু মৃগগণৰো তখনে চিত্ত হৰে॥
দান্তে তৃণ ধৰি কৰ্ণ ওপৰক তুলি।
চক্ষু মুদি থাকে যেন চিত্ৰৰ পুত্তলা॥
আমি কেনে জীৱোঁ হেন কৃষ্ণক নেদেখি।
আউৰ গোপী বোলে শুনা শুনা সবে সখি॥
মাথাত ময়ূৰ পুচ্ছ পল্লব কৰ্ণত।
মল্লবেশে হৰি গৰু ঘাৰিয়া গাৱত॥
নাম ধৰি ধেনুক ডাকন্ত বংশী ৰাৱে।
নদি সবো শুনি স্তম্ভি থাকে মৌন ভাৱে॥
আমি যেন নপায়া কৃষ্ণৰ পাদ ৰেণু।
কম্পাৱে তৰঙ্গ হস্ত প্ৰেমে পুনু পুনু॥
কতো গোপী বোলে সখি সব শুন শুন।
গোপগণে যখনে বৰ্ণাৱে কৃষ্ণগুণ॥
বংশীৰ নিস্বনে হৰি ডাকি আনা ধেনু।
শুনি তৰু লতা প্ৰেমে পুলকিত তনু॥
ফল ফুল ভৰে নম্ৰ হুয়া মধু স্ৰৱে।
ভৈল আত্মা সাক্ষাতে বৃক্ষৰ ভাৱে কৰে॥

কি মতে বৰ্ত্তিবো হেন কৃষ্ণক নেদেখি।
আউৰ গোপী বোলে মোৰ কথা শুনা সখি॥
দিব্য গন্ধ তুলসীৰ কৰি মধু পান।
ভ্ৰমৰে গুঞ্জৰি ধৰে কৃষ্ণৰ যোগান॥
সুন্দৰ অধৰে যেবে কৰে বংশী ধ্বনি।
মোহ হুয়া কমল বনৰো পক্ষী শুনি॥
হৰিক উপাসে আতি স্থিৰ কৰি চিত্ত।
চক্ষু মুদি আনন্দতে মৌনে শুনে গীত॥
পক্ষীয়া মোহক যায় যাৰ বংশী শুনি।
কিমতে ধৰিবো প্ৰাণ হেন হৰি বিনি॥
কোহো গোপী বোলে সখি শুনিয়ো কাহিনী।
ৰামে সমে পৰ্ব্বতত চৰি চক্ৰপাণি॥
সাকে হৰিষ কৰে পূৰি বংশী নাদ।
মিত্ৰ বুলি মেঘে কৰে মধুৰ আস্বাদ॥
ছত্ৰ ধৰি উপৰে বৰিষে দিব্য ফুল।
হেন হৰি বিয়োগে কি বুলিবো আকুল॥
কতো গোপী যশোদাক কহন্তে অদ্ভুত।
বেণু বাদ্য কুশল তোমাৰ প্ৰিয় সুত॥
যখন বংশীক চুম্বি তোলে স্বৰ জাতি।
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱে হোৱে মোহ অতি॥

শুনি যাকে একচিত্তে নমায় কন্ধৰ ।
নিশ্চয় কৰিবে নোবাৰন্ত তান স্বৰ ॥
হেন তাৰ বিয়োগে কিমতে ধৰো প্ৰাণ ।
[illegible] ॥ তাৰ হৰিৰ হোক পাপৰ নিগাণ ॥

ঘোষা ॥

[illegible] কি [illegible] !
গোপাল কৃপাল পাৱে ধৰো
[illegible] ঈশ্বৰ যেন ভবো ॥

[illegible]
[illegible] গজ [illegible] ॥
[illegible] পঙ্কজ [illegible]
[illegible] আমাক [illegible] ।
[illegible] কামে [illegible]
[illegible] আমি [illegible] ।
[illegible] বস্ত্ৰকো নোবাৰি
শুন [illegible] আতৰ গোপনাৰী ।
এক প্ৰিয় গোপৰ কান্ধত হস্ত থই ।
পঙ্কক গণন্ত কদাচিত লগী লই ॥

পিন্ধিয়া গলত গন্ধতুলসী মালাক।
যেবে সেহি বেলাত বংশীৰ দেন্ত ডাক।
শুনি কৃষ্ণসাৰ হৰিণৰ ভাৰ্য্যাগণে।
কৃষ্ণৰ সমীপ চাপে উত্ৰাৱল মনে॥
গুণ সমুদ্ৰক পায়া নযায় পুনৰপি।
এড়িলে গৃহৰো আশা যেন তাপি গোপী।
তেন হৰিৰ বিয়োগে কিমতে প্ৰাণ ৰবে।
যশোদাক চাই কাতো গোপী কথা কহে
কুন্দ পুষ্পে ভূষি তনু মলয় চন্দনে।
গোধনে আবৰি ছুয় তোমাৰ নন্দনে।
হৰিবা নচায় যেবে [illegible]।
গাবে গীত গন্ধৰ্ব্ব মঙ্গল বহে বাত।
[illegible] বৰিষে সম্মান।
তেন হৰি [illegible] ধৰে প্ৰাণ
[illegible] কৃষ্ণ [illegible] দেখি
আজি [illegible] হৰি [illegible]।
গোপাল [illegible] কৰি একঠাই
আছিল প্ৰাণগোবিন্দ বংশীত গীত গাই।
[illegible] প্ৰণামে ব্ৰহ্মা আদি দেৱতাক।
[illegible] ছিলোকে নেদে শত্ৰে আসিবাক।

জুৰাইবে লাগি পাছে আমাৰ হৃদয়।
দৈৱকী নন্দন চন্দ্র ভৈলন্ত উদয়॥
কতো আথেবেথে বোলে গোপিকা বচন।
দেখ গোবিন্দৰ মদে চঞ্চল লোচন॥
কুণ্ডলৰ কান্তি জ্বলে বদন পাণ্ডুৰ।
যেন সন্ধ্যা সময়ে উদিত শশধৰ॥
আমাৰ দিনৰ তাপ হৰিবাক প্রতি।
আইল বনমালী গজৰাজ লীলা গতি॥
এহি মতে ব্রজৰ যুবতী প্রতি নিত।
একান্তে অর্পিলে গোপালতে প্রাণ চিত্ত॥
দিন সব বঞ্চে গোবিন্দৰ গুণ গাই।
তাসম্বাৰ সম ভাগ্যৱতী আৰ নাই॥
পাইলে মহোদয় কৰ্ম্ম বন্ধ ছেদ ভৈল।
মহা মুনি শুক শুকে নৃপতিত কৈল॥
ইতো ৰাস ক্রীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়॥
আক শুনে ভণে যিটো জন অবিশ্রাম।
বাঢ়িবে ভকতি অতি জিনিবেক কাম॥
কৃষ্ণৰ কিঙ্কৰে কহে শুনা নিৰন্তৰ।
কলিযুগে ভৈলা ভাৰতত ভৈলা নৰ॥

হৰি ভকতিত যেবে কৰা দৃঢ়মতি।
ই জন্মত নিশ্চয়ে পৰম পাইবা গতি॥
ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিয়ো বেদৰ জানা এহি সাৰ তত্ত্ব॥
ৰাম নাম অমৃত সততে কৰা পান।
বোলা হৰি হৰি কেতিক্ষণে পৰে প্ৰাণ॥

ঘোষা।

যাদৱ জগ মোহন ৰাম।
ভকত বৎসল কৰো প্ৰণাম॥

শৰতকালে চন্দ্ৰাৱলী ৰাতি।
দিব্য ৰাস ক্ৰীড়া কৰিলা আতি॥
পৰম ৰাগে গাইলা গীত হৰি।
শুনি মোহ ভৈলা গোপসুন্দৰী॥
ঘৰ বাড়ী এড়ি লৰৰড়ে ভোলে।
স্তন হল ফল কুণ্ডল দোলে॥
বাইলাহা বংশী পশি বৃন্দাবনে।
চৌপাশে বেড়ি নাচে গোপীগণে॥
জয় কৃষ্ণ বুলি বাৰে চাপৰি।
গোপীৰ মধ্যে প্ৰকাশন্ত হৰি॥

যেহেন সুবৰ্ণমণি মাজত।
প্রকাশি আছে যেন মৰকত ॥
দুই গোপী মাজে এক গোপাল।
নূপুৰে বাদ্য ভৰি কৰতাল ॥
হাতত হাতে ধৰি গোপনাৰী।
নাচিল অনঙ্গ ৰঙ্গে মুৰাৰি ॥
সজল মেঘ মাধৱৰ কায়।
গোপীগণ ভৈল বিজুলী প্রায় ॥
অলঙ্কাৰে কৰে মধুৰ ঘোষ।
শুনিয়া মনত মিলে সন্তোষ ॥
গোপীৰ গলে ধৰি বাহু মেলি।
কৰিলা অনেক অনঙ্গ কেলি ॥
শ্রম দেখি কতো আঞ্চলে বিঞ্চে।
যমুনা জলে নামি জল সিঞ্চে ॥
পূৰিল গোপীগণ মনোৰথ।
ক্রীয়া দেখি চন্দ্রো ৰাখিল ৰথ ॥
মোহিত ভৈল যত দিব্য নাৰী।
ৰাখিলা গোপীক যক্ষক মাৰি ॥
ধায়া আসিলেক অৰিষ্ট বীৰ।
মেদিনী নগহে৷ খুৰাৰ ভিৰ ॥

দেখি আস্ফালিল শিঙ্গত ধৰি ।
তাৰো প্ৰাণ নৈলা ঘাৰ মচৰি ॥
দেখি আসিলেক কেশী অসুৰ ।
হ্ৰেষনি শুনি কম্পে গোপপুৰ ॥
লাঙ্গুৰ ছাটিত মেঘ উড়াই ।
দেখিযা প্ৰভু তাক গৈলা ধাই ॥
পাছে চণ্ড বেগে অসুৰ আসি ।
হানিলেক লাথি ভৰি উল্লাসি ॥
এড়াইলা তাঙ্ক শ্ৰম কৰি হৰি ।
আছাৰি পেলাইলা পাৱত ধৰি ॥
আসিল কেশী তুনাই বেস্ত বাই ।
বাম বাহু তাৰ মুখে ভৰাই ॥
বাঢ়াইলা প্ৰভু আতি বৰ বেগে ।
ভেণ্টিল গল যেন গৰ্ভ-ৰোগে ॥
ভুমিত পড়িল চেতন হৰি ।
চক্ষু ওলটাই আছাড়ে ভৰি ॥
মৰিল অসুৰ ছাদি ৰুধিৰ ।
বাজ ভৈল বাহু ফাটি শৰীৰ ॥
কেশী-বধ দেখি হাসি হৰিষে ।
ব্ৰহ্মা আদি দেৱে পুষ্প বৰষে ॥

কংশৰ বোলে যত দৈত্য আসে।
সবে অগণিত পতঙ্গ জাসে॥
এহি মতে সবে অসুৰ মাৰি।
ফুৰিলা বৃন্দাবনে গৰু চাৰি॥
গোধূলি পড়ি ৰঞ্জে মুখ আখি।
মাথাত পিন্ধিলা মৈৰাৰ পাখী॥
গুঞ্জাৰ খোকা ককালত আড়ি।
কক্ষত লৈয়া শিঙ্গা বেত্ত বাড়ি॥
মোহন বংশী বেৰটিত থই।
ব্যঞ্জন ভাত বাম হাতে লই॥
ভোজন কৰা তুমি গড়ুৰাজে।
বসিযা ৰঙ্গে গোপ শিশু মাজে॥
কোনে বুঝিবেক তোমাৰ লীলা।
কটাক্ষে ভূমিৰ ভাৰ হৰিলা॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
গোপাল কেলি শুনা সৰ্ব্ব জনে॥
মোক্ষ পাইবা যেবে সংসাৰ তৰি।
সঘনে ডাকি বোলা হৰি হৰি॥

ইতি ৰাস ক্ৰীড়া সমাপ্তঃ।

—:০:—

গৌৰী শঙ্কৰ ছাপাখানা।



আমাৰ এই ছাপাখানাত লকলো ৰকমৰ অসমীয়া বঙলা ইংৰাজি কিতাপ, নিমন্ত্রন পত্র, বিলফৰম, ৰছিদ, লেবেল, চেকবুক, কার্ড, হাত জাননী, বাগ্যানৰ হাজিৰাবহি, এগ্রিমেণ্ট ফৰম আদি সকলো কাম উচিত দামত সুন্দৰ ছাপাহয়। কাম খুব সোন কালে দিয়া হয়। পৰীক্ষা প্রার্থনীয়।

শ্রীনন্দেশ্বৰ চক্রবর্ত্তী।